দৈনিক জনমভূমি

মঙলবাৰ ● ২৮ বহাগ ● ১৯৪৮ শক ● DAINIK JANAMBHUMI ● Guwahati ● Tuesday ● May 12,

# ৰাষ্ট্ৰীয় উডবললৈ অসম দল ঘোষণা



গুৱাহাটী ঃ ষ্টাফ ৰিপৰ্টাৰ, ১১ মে' ঃ ছট্টিশগড়ৰ ৰায়পুৰত অহা ১৪-১৭ মে'ত অনুষ্ঠিত হ'বলগীয়া ২০সংখ্যক ৰাষ্ট্ৰীয় উডবল প্ৰতিযোগিতাৰ বাবে অসমৰ ১২জনীয়া দলটো ঘোষণা কৰা হৈছে। যোৱা ২০ এপ্ৰিলত গুৱাহাটীত উডবল সংস্থা, অসমৰ উদ্যোগত আয়োজিত বাছনী শিবিৰৰ পৰা ১২গৰাকী পুৰুষ আৰু মহিলা খেলুৱৈ নিৰ্বাচিত কৰা হয়। ষ্ট্ৰক আৰু ফেয়াৰৱেৰ টীম ইভেণ্ট, ডাবলছ, মিক্সড ডাবলছ আৰু ছিংগলছ শাখাত অসমৰ খেলুৱৈয়ে অংশ ল'ব। নিৰ্বাচিত খেলুৱৈসকল ঃ **মহিলাৰ দলটো ঃ** সংগীতা দাস, হিয়া চেতিয়া, সংগীতা শৰ্মা, ঋষিকা বৰা আৰু খুছবু ছুলতানা। **পুৰুষৰ ঘোষিত দলটো ঃ** জিতুপন দাস (অধিনায়ক), নিৰ্ণয় সিনহা, ভাৰ্গৱ দাস, মৃদুল বৰগোহাঁই, ৰিচাৰ্ড কলিতা, প্ৰাণপ্ৰতিম চলিহা আৰু জিজ্ঞাস নাথ। অসম দলটো কাইলৈ প্ৰতিযোগিতাথলীলৈ ৰাওনা হ'ব।